## First Meeting of the National Coordination Committees of India and Uzbekistan on implementation of joint projects

August 24, 2020

---

## যুটীয়া প্ৰকল্পৰ কাৰ্যকৰীকৰণত ভাৰত আৰু উজবেকিস্তানৰ ৰাষ্ট্ৰীয় সমন্বয় কমিটিৰ প্ৰথমখন বৈঠক

আগষ্ট 24, 2020

ভাৰত আৰু উজবেকিস্তানৰ মাজত পাৰস্পৰিকভাৱে সন্মত প্ৰকল্পৰ কাৰ্যকৰীকৰণক নিৰীক্ষণ কৰিবৰ কাৰণে ৰাষ্ট্ৰীয় সমন্বয় কমিটিৰ প্ৰথমখন বৈঠক বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী ভি মূৰালীধৰণ আৰু উজবেকিস্তানৰ উপ প্ৰধানমন্ত্ৰী আৰু বিনিয়োগ আৰু বৈদেশিক বাণিজ্য মন্ত্ৰী শ্ৰী চাৰদৌৰ উমুৰজাকৌভৰ অধ্যক্ষতাত, প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু ৰাষ্ট্ৰপতি শ্ৰী শবকট মিৰ্জিৱৌয়েভৰ নিৰ্দেশত 24 আগষ্ট 2020 তাৰিখে অনুষ্ঠিত হয়।

দুয়ো পক্ষই দ্বিপাক্ষিক বিনিয়োগ সন্ধি, অগ্ৰাধিকাৰমূলক বাণিজ্য চুক্তি, দুয়ো দেশৰ কৃষি উত্পাদনৰ কাৰণে পাৰস্পৰিক বজাৰত প্ৰৱেশাধিকাৰ, ভৰতৰ ঋণৰ অধীনত চিহ্নিত প্ৰকল্পসমূহৰ কাৰ্যকৰীকৰণ, গুজৰাট আৰু উজবেকিস্তানৰ আন্দিজান অঞ্চলৰ মাজত সমন্বয় আৰু টাচকেণ্টত ভাৰত-উজবেকিস্তান উদ্যমিতা উন্নয়ন কেন্দ্ৰৰ আলাপ-আলোচনাৰ স্থিত সহ দ্বিপাক্ষিক অৰ্থনৈতিক আৰু বাণিজ্য সহযোগিতাৰ চলমান আৰু পৰিকল্পিত কাৰ্যক্ৰমসমূহৰ ব্যাপকভাৱে পৰ্যালোচনা কৰিছে।

সহ-অধ্যক্ষ দুগৰাকীয়ে বিভিন্ন প্ৰকল্পত হোৱা অগ্ৰগতিক লৈ সন্তোষ প্ৰকাশ কৰে আৰু আশা প্ৰকাশ কৰিছে যে প্ৰকল্পসমূহৰ তাত্পৰ্যপূৰ্ণ সমাপ্তিয়ে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগক আৰু শক্তিশালী কৰিব। ৰাজ্যিক মন্ত্ৰী শ্ৰী ভি মূৰালীধৰণে উপ প্ৰধানমন্ত্ৰী শ্ৰী উমুৰজাকৌভক পাৰস্পৰিক সুবিধা অনুসৰি ভাৰত ভ্ৰমণৰ বাবে নিমন্ত্ৰণ জনায়।

**নতুন দিল্লী**
**আগষ্ট 24, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.